Total No. of Printed Pages—8

**X/20/AS (N)**

**2 0 2 0**

# ASSAMESE

( INDIAN LANGUAGE )

( New Course )

**( FOR CANDIDATES WITH INTERNAL ASSESSMENT )**

*Full Marks* : 80
*Pass Marks* : 24

**( FOR CANDIDATES WITHOUT INTERNAL ASSESSMENT )**

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

**( FOR ALL CATEGORIES OF CANDIDATES )**

*General Instructions* :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **15** are to be answered by all Candidates.

(iv) Question Nos. **16** to **21** are to be answered only by the **Candidates without Internal Assessment**.

## ( গদ্য ভাগ )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে দিয়া : ১×৫=৫

(ক) সৰ্বপল্লী ৰাধাকৃষ্ণনে ‘কালিয়দমন’ৰ কি আখ্যা দিছে?

(খ) ছাত্ৰৰ উন্নতিৰ ঘাই মন্ত্ৰ কি?

(গ) ত্ৰয়োদশ শতিকাত অসমলৈ অহা বহিৰাগত গোষ্ঠী কোনটো?

(ঘ) ভূকেন্দ্ৰিক বিশ্বধাৰণাৰ প্ৰধান প্ৰবক্তা কোন?

(ঙ) কিমান চনত গেলিলিওৰ মৃত্যু আৰু নিউটনৰ জন্ম হয়?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৫=৫

(ক) ______ আমোলত ভাৰতীয় সাহিত্যৰ বৈচিত্ৰ্য বাঢ়িছিল।

(খ) ছাত্ৰ জীৱনৰ শিক্ষা ______ সংসাৰৰ বিষয়ে শিক্ষা।

(গ) এটা সময়ত অসমৰ আৰ্য সংস্কৃতিতকৈ ______ সংস্কৃতিহে বেছি গুৰুত্বপূৰ্ণ আছিল।

(ঘ) আধুনিক ভাৰত গঢ়িবলৈ আমাক বিজ্ঞানৰ সাধনা আৰু ______ কৌশলৰ প্ৰয়োজন।

(ঙ) গাঁৱেই ______ নগৰক জন্ম দি পিতৃস্বৰূপে পালন কৰিছে।

৩। শুদ্ধ নে অশুদ্ধ লিখা : ১×৫=৫

(ক) ডিম্বেশ্বৰ নেওগ অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতা হিচাপে পৰিচিত।

(খ) সংস্কৃতিৰ বিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।

(গ) হেমচন্দ্ৰ বৰুৱা আছিল যুগস্ৰষ্টা সাহিত্যিক।

(ঘ) ব্ৰিটিছ আহিল ইয়াণ্ডাবু সন্ধিৰ পাছত।

(ঙ) ‘প্ৰিনচিপিয়া’ গ্ৰন্থখনৰ ৰচক গেলিলিও।

৪। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) বৰ্তমান প্ৰচলিত শিক্ষাৰ দোষ কি কি? ছাত্ৰসকলে কি কি বিষয়ত জ্ঞান লাভ কৰি দেশসেৱাত ব্ৰতী হ’ব লাগে?

(খ) ‘সভ্যতা’ আৰু ‘সংস্কৃতি’ শব্দ দুটাৰ মাজৰ পাৰ্থক্য বিচাৰ কৰা।

(গ) শিক্ষালাভৰ কালছোৱাত নিউটন কেনেধৰণৰ পৰিস্থিতিৰ সন্মুখীন হৈছিল, বুজাই লিখা।

## ( পদ্য ভাগ )

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে লিখা : ১×৫=৫

(ক) তোমাৰ পাঠ্যৰ বৰগীতটি কি ৰাগত বন্ধা আছে?

(খ) জিকিৰৰ ৰচক কোন?

(গ) অসমীয়া ৰোমাণ্টিক যুগৰ অন্তিম স্তৰৰ শ্ৰেষ্ঠ কবি বুলি কাক কোৱা হয়?

(ঘ) ‘দৃশ্যান্তৰ’ কবিতাৰ কবিয়ে কিমান বছৰৰ পাছত মানুহজনক লগ পাইছিল?

(ঙ) ‘সাগৰ দেখিছা’ কবিতাপুথিখন কোন চনত প্ৰকাশিত হয়?

৬। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূলভাৱ চমুকৈ লিখা : ৫

(ক) বৰগীত

(খ) দৃশ্যান্তৰ

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ‘মোৰদেশ মানুহৰ দেশ’ কবিতাটোৰ মাজেৰে প্ৰকাশ পোৱা কবিৰ স্বদেশানুভূতি সম্পৰ্কে বহলাই লিখা।

(খ) মক্কাৰ দুৱাৰত চাহাব জীৱই মাৰে তালি।
যেনে—শালে শ’লৰ লগত দৰিকাৰ টপালি॥

ওপৰত উল্লেখ কৰা কথাখিনিৰ অন্তৰ্নিহিত ভাৱটি বিশ্লেষণ কৰা।

## ( দ্ৰুত পাঠ )

৮। তলত দিয়া যি কোনো **পাঁচটা** শব্দৰ অৰ্থ লিখা : ১×৫=৫

মেচেকা; পকনী; সাবালক; অবোধ; তত্ত্বাৱধান; পাণ্ডুলিপি; বিধ্বস্ত।

৯। চমু টোকা লিখা (যি কোনো **দুটা**) : ২$\frac{১}{২}$×২=৫

(ক) হেম শৰ্মা

(খ) দীঘলী বাই

(গ) 'উদয়' আলোচনী

(ঘ) খনাজান

১০। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) হাইস্কুলৰ প্ৰথম চাৰি বছৰত লেখকে খেলা-ধুলা আনন্দৰ জগতখনত কেনেকুৱা কাম কৰিছিল?

(খ) "এইসকল লোক কেৱল শিক্ষক, অভিভাৱক আৰু পথ-প্ৰদৰ্শকৰূপেই নহয়, একোটা চৰিত্ৰ হিচাপেও মোৰ মনত জীয়াই আছে।"

লিখকে কিয় এইদৰে কৈছে? তেওঁ শিক্ষকসকলক কি ৰূপত দেখিছিল? নিজৰ ভাষাত চমুকৈ লিখা।

## ( ব্যাকৰণ ভাগ )

**১১**। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

নীলাচল; সীমান্ত; নাৱিক; দেৱ + ঋষি; দিক + অন্ত; নিঃ + আকাৰ; হৰি + চন্দ্ৰ।

**১২**। ণত্ববিধি বুলিলে কি বুজা? উদাহৰণসহ ণত্ববিধিৰ **চাৰিটা** নিয়ম উল্লেখ কৰা। ৫

**অথবা**

সন্ধি আৰু সমাসৰ পাৰ্থক্য কি? উদাহৰণসহ বুজাই লিখা। ৫

**১৩**। জন্মদিনৰ শুভেচ্ছা জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা। ৫

**অথবা**

চৰিত্ৰ প্ৰমাণপত্ৰ পাবৰ বাবে স্কুলৰ প্ৰধান শিক্ষকলৈ এখন আৱেদনপত্ৰ লিখা। ৫

**১৪**। তলৰ খণ্ড–বাক্যকেইটাৰ অৰ্থ প্ৰকাশ পোৱাকৈ বাক্য–ৰচনা কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

ডলাৰ বগৰী; খাই পাত ফলা; হাত দীঘল; কপালৰ ঘাম মাটিত পেলা; চকুৰ মণি; গাই বাই চা; মাটিৰ মানুহ।

**অথবা**

তলব যি কোনো **এছোৱাৰ** ভাৱ–সম্প্ৰসাৰণ কৰা : ৫

(ক) যি মূলা বাঢ়ে তাৰ দুপাততে চিন।

(খ) গোৰ মাৰি গংগাত পেলোৱা।

(গ) এশ গৰু মাৰিলে বাঘৰো মৰণ।

১৫। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) তোমাৰ জীৱনৰ লক্ষ্য

(খ) পৰিবেশ প্ৰদূষণ আৰু ইয়াৰ প্ৰতিকাৰ

(গ) ড্ৰাগছ ঃ এক সামাজিক সমস্যা

(ঘ) তুমি উদ্‌যাপন কৰা এটি উৎসৱ

## ( For Candidates without Internal Assessment )

১৬। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়া : ১×৪=৪

(ক) 'ফ্ৰম ভলগা টু গংগা' কাৰ ৰচনা?

(খ) 'ছাত্ৰ জীৱন আৰু সমাজ সেৱা' পাঠটিৰ লিখক কোন?

(গ) সকলোকে বান্ধি থোৱা এনাজৰীডাল কি আছিল?

(ঘ) ড০ কুলেন্দু পাঠকৰ জন্মস্থান ক'ত আছিল?

১৭। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা : ১×৪=৪

(ক) কহয় _____ হৰি দাসকু দাস॥

(খ) দেও মাৰি পাৰ হ'লে এৰিলে _____॥

(গ) _____ সাজিছে ওঙ্কাৰ ধাম।

(ঘ) তেওঁ _____ বিচাৰি ফুৰিছিল
নিজৰ ঘৰৰ পদূলি।

১৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) “বৰ শান্তিত আছো
এই পজাটিত।”

কোনে, কিয় এইদৰে কৈছিল? কথাশাৰীৰ অন্তৰ্নিহিত ভাৱ মোকলাই লিখা।

(খ) ‘মৈত্ৰী আৰু অহিংসাৰ শলিতা জ্বলোৱা’ মানে কি?

১৯। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৩

(ক) ভীমৰ গাঁও নামৰ গাঁওখনৰ এটা বৰ্ণনা দিয়া।

(খ) চমু টোকা লিখা (যি কোনো **এটা**) :

পাঠশালাৰ শিক্ষক; খুঁটি-বৰশী; পাংখাৱালা।

২০। তলত দিয়া শব্দবিলাকৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা (যি কোনো **তিনিটা**) : ১×৩=৩

ন্যায়; আন্ধাৰ; সুখ্যাতি; উত্থান; জয়।

২১। সূত্ৰ লিখি উদাহৰণ দিয়া (যি কোনো **এটা**) : ২

সৰ্ব্বনাম পদ; স্ত্ৰী প্ৰত্যয়; অধিকৰণ কাৰক।

★ ★ ★